গোচৰ নং:

২০০৫ চনৰ আপীল (দেৱানী)নং ৩২৪৬

আবেদনকাৰী:

মুকলেশ আলী

উত্তৰদাতা:

অসম চৰকাৰ আৰু আন এজন

ৰায়দানৰ তাৰিখ: ৪/৭/২০০৬

ন্যায়াধীশ ড° এ আৰ. লক্ষ্মণন আৰু ন্যায়াধীশ আলতামাছ কবীৰৰ খণ্ড বিচাৰপীঠ

ৰায়দান:

ন্যায়াধীশ ড° এ আৰ. লক্ষ্মণন,

আপীলকাৰী মুকলেশ আলী, অসম চৰকাৰৰ সহকাৰী বন সংৰক্ষক হিচাপে উত্তৰ কামৰূপ সংমণ্ডলত কৰ্মৰত হৈ থাকোতে ২০০৪ চনৰ ৫ মে' তাৰিখে গৌহাটী উচ্চ ন্যায়ালয়ে ২০০৩ চনৰ লেখ আপীল নং ১৩৩ ত প্ৰদান কৰা ৰায় আৰু আদেশৰ বিৰুদ্ধে উপৰুক্ত আপীল দাখিল কৰে। যাৰ দ্বাৰা উচ্চ ন্যায়ালয়ে তেওঁৰ পূৰ্বৰ লেখ আপীল আবেদন খাৰিজ কৰিছিল।

প্ৰাসংগিক বিৱৰণ:

আপীলকাৰীয়ে ১৯৯৪ চনত ৰঙ্গিয়া, উত্তৰ কামৰূপ সংমণ্ডলত, সহকাৰী বন সংৰক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়ত, উত্তৰদাতা নম্বৰ ২, অৰ্থাৎ অসম চৰকাৰৰ বন বিভাগৰ সচিবে ১৬.৯.১৯৯৪ তাৰিখৰ জাননীৰ জৰিয়তে তেওঁক নিলম্বন কৰিছিল। ১২.১২.১৯৯৪ তাৰিখৰ জাননীৰ জৰিয়তে তেওঁক পুনৰ সেৱাত নিযুক্তি কৰা হয়। ১৯৯৭ চনৰ ২৯ জুলাইত আপীলকাৰীক কাৰণ প্ৰদৰ্শন কৰাৰ জাননী দিয়া

হৈছিল, য'ত আছিল পাঁচটা অভিযোগ, অভিযোগৰ বিবৃতি, নথি-পত্ৰৰ তালিকা আৰু সাক্ষীৰ তালিকা। আপীলকাৰীক লিখিত উত্তৰ দাখিল কৰিবলৈ দহ দিনৰ সময় দিয়া হৈছিল। আপীলকাৰীৰ বিৰুদ্ধে উত্থাপিত পাঁচটা অভিযোগ তলত উল্লেখ কৰা হৈছে:

অভিযোগ নং ১: ব্যক্তিগত স্বাৰ্থৰ বাবে অবৈধ কামত জড়িত হোৱাৰ ফলত ৰাজ্য চৰকাৰে ৰাজহৰ ক্ষেত্ৰত যথেষ্ট লোকচানৰ সন্মুখীন হয়।

অভিযোগ নং ২: প্ৰৱঞ্চনা মূলকভাৱে ট্ৰেনজিট পাছ প্ৰদান কৰা আৰু ব্যক্তিগত সুবিধাৰ বাবে অবৈধ কাৰ্য্যকলাপত অংশগ্ৰহণ কৰা।

অভিযোগ নং ৩: অপৰাধমূলক আচৰণত লিপ্ত হোৱা, বিশ্বাস ভংগ কৰা, ব্যক্তিগত সুবিধাৰ বাবে অবৈধ কামত অংশগ্ৰহণ কৰা।

অভিযোগ নং ৪: দায়িত্বশীলভাৱে পৰিচালনা বা সুৰক্ষা দিব লগীয়া সম্পত্তিৰ নিজৰ সুবিধাৰ বাবে অপব্যৱহাৰ কৰে।

অভিযোগ নং ৫: ব্যক্তিগত সুবিধাৰ বাবে ক্ষমতাৰ অপব্যৱহাৰ কৰা আৰু ইচ্ছাকৃতভাৱে কৰ্তব্য পালন কৰাৰ পৰা বিৰত থকা।

আপীলকাৰীয়ে আত্মপক্ষ সমৰ্থন কৰি নিজৰ লিখিত বিবৃতিৰ লগতে অতিৰিক্ত লিখিত বিবৃতি দাখিল কৰে।

এই ন্যায়ালয়ে, ১৫.১.১৯৯৮ তাৰিখৰ নিৰ্দেশৰ জৰিয়তে, ১৯৮৫ চনৰ লেখ আবেদন(চি) নম্বৰ ২০২, টি. এন. গোদাবৰ্মন থিৰুমলপদ বনাম ভাৰত চৰকাৰ গোচৰত এক বিশদ আদেশ প্ৰদান কৰিছিল।উক্ত নিৰ্দেশৰ ২৭ নং দফাত, ৰাজ্য চৰকাৰক ৪৫ দিনৰ ভিতৰত সেই সকলোবোৰ বন সংমণ্ডল চিনাক্ত কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল য'ত অবৈধভাৱে গছ কটা হৈছিল। লগতে দোষীৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা/আইনী ব্যৱস্থা লবলৈ নিৰ্দেশ দিয়া হৈছিল। ৰাজ্য চৰকাৰক নিৰ্দেশ দিয়া হৈছিল যে তিনিমাহৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰক গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ প্ৰাৰম্ভিক প্ৰতিবেদন দাখিল কৰক, আৰু তাৰ পিছত সমস্যাটো সমাধান নোহোৱালৈকে তিনি মাহৰ মূৰে মূৰে প্ৰতিবেদন দাখিল কৰক।

উক্ত আদেশৰ ২৭ নং দফাত এইদৰে কোৱা হৈছে:

“২৭- ৰাজ্য চৰকাৰে ৪৫ দিনৰ ভিতৰত অবৈধভাৱে গছ কটা সংমণ্ডল সমূহ চিনাক্ত কৰক। লগতে দোষীৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা/আইনী ব্যৱস্থা গ্ৰহণ কৰক। কেন্দ্ৰীয় চৰকাৰক তিনিমাহৰ ভিতৰত গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ প্ৰাৰম্ভিক প্ৰতিবেদন দাখিল কৰক, আৰু তাৰ পিছত সমস্যাটো সমাধান নোহোৱালৈকে তিনি মাহৰ মূৰে মূৰে প্ৰতিবেদন দাখিল কৰক।“

অনুসন্ধানকাৰী বিষয়াজনে তদন্ত সমাপ্ত কৰাৰ পিছত সংলগ্ন অংশৰ সৈতে তেওঁৰ প্ৰতিবেদন দাখিল কৰিছিল য'ত দেখা গৈছিল যে আবেদনকাৰী অভিযোগ উত্থাপন হোৱা অপৰাধৰ বাবে দোষী নহয়। প্ৰতিবেদনটো ২৫.৪.২০০০ত দাখিল কৰা হৈছিল।

১.১১.২০০০ তাৰিখে, আপীলকাৰীৰ বিৰুদ্ধে কৰা তদন্ত বাতিল কৰা হৈছিল আৰু নিৰ্দেশ দিয়া হৈছিল যে আপীলকাৰীয়ে  ১৬.৯.১৯৯৪ ৰ পৰা ১২.১২.১৯৯৪ লৈ নিলম্বনৰ সময়চোৱা কৰ্তব্যত থকা হিচাপে গণ্য কৰা হ'ব। এই ন্যায়ালয়ে পুনৰ ১৯৯৫ চনৰ ডব্লিউ. পি. (চি) নম্বৰ ২০২-ত ১২.৫.২০০১ তাৰিখে প্ৰদান কৰা আদেশৰ জৰিয়তে কিছুমান নিৰ্দেশনা প্ৰদান কৰিছিল। উক্ত আদেশৰ ১২ নং দফাত, এই ন্যায়ালয়ে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ মুখ্য সচিবসকলক ১৫.১.১৯৯৮ তাৰিখৰ আদেশৰ ২৭ নং দফা অনুসৰি বৃহৎ সংখ্যক গছ কটাৰ বাবে দায়ী বিষয়া আৰু অন্যান্যসকলৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থা তাৎক্ষণিকভাৱে পুনৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই ন্যায়ালয়ে লগতে নিৰ্দেশ দিয়ে যে ৬০ দিনৰ ভিতৰত সংশ্লিষ্ট মুখ্য সচিবসকলৰ দ্বাৰা এখন হলফনামাৰ জৰিয়তে এই আদালতত এক পদক্ষেপ গ্ৰহণ প্ৰতিবেদন দাখিল কৰিব লাগে য'ত অন্যান্য বিষয়ৰ লগতে সংশ্লিষ্ট বিষয়াসকলৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থাসমূহ পৰ্যাপ্ত আছিল নে নাই সেই সম্পৰ্কে তেওঁলোকৰ মতামত অন্তৰ্ভুক্ত কৰা হয়। নিৰ্দেশটোৰ ১২ নং দফাটো তলত উল্লেখ কৰা ধৰণৰঃ

"১২. উত্তৰ-পূবৰ ৰাজ্যসমূহৰ মুখ্য সচিবসকলে ১৫.১.১৯৯৮ তাৰিখৰ আদেশৰ ২৭ নং দফা অনুসৰি বৃহৎ সংখ্যক গছ কটাৰ বাবে দায়ী বিষয়া আৰু অন্যান্যসকলৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থা তাৎক্ষণিকভাৱে পুনৰীক্ষণ কৰক। তেওঁলোকে বিশেষ তদন্তকাৰী দলে জব্দ কৰা অবৈধ কাঠৰ সৰবৰাহৰ লগত জড়িত লোকসকলৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থাসমূহো পুনৰীক্ষণ কৰক। যদিহে এইদৰে পোৱা যে গ্ৰহণ কৰা ব্যৱস্থাসমূহ

পুনৰীক্ষণ কৰাৰ প্ৰয়োজন আছে, তেন্তে সংশ্লিষ্ট ৰাজ্য চৰকাৰে বিভাগীয় তদন্তৰ জৰিয়তে হওক বা আইনী তদন্তৰ জৰিয়তে হওক, ন্যায়ালয়ক আশ্বাস দিব লাগে যে তেওঁলোকে অবৈধ গছ কটা ৰোধ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে । ৰেল বিভাগেও গ্ৰহণ কৰা পদক্ষেপৰ পৰ্যালোচনা কৰিব আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। সংশ্লিষ্ট মুখ্য সচিবসকলে এখন হলফনামাৰ জৰিয়তে ৬০ দিনৰ ভিতৰত এই ন্যায়ালয়ক এক পদক্ষেপ গ্ৰহণৰ প্ৰতিবেদন দাখিল কৰিব, য'ত অন্যান্য বিষয়ৰ লগতে সংশ্লিষ্ট বিষয়াসকলৰ বিৰুদ্ধে  বৰ্তমান গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে তেওঁলোকৰ মন্তব্য অন্তৰ্ভুক্ত কৰিব লাগিব। অবৈধ কাঠ সৰবৰাহৰ বাবে ব্যৱহৃত ট্ৰাক আৰু অন্যান্য বাহন জব্দ কৰা, বিশেষকৈ ভুৱা/টেম্পাৰ্ড/ম্যাদ উকলি যোৱা ট্ৰেনজিট পাছ ব্যৱহাৰ কৰা যানবাহনৰ বিষয়েও পৰ্যালোচনা কৰিব পাৰি। ১৯৯৮ চনৰ ১৫ জানুৱাৰীৰ ন্যায়ালয়ৰ আদেশৰ ২৭ নং দফাত উল্লেখ কৰা অনুসৰি, মুখ্য সচিবে ছমহীয়া বৈঠকৰ সময়তো এই পৰ্যালোচনা কৰা উচিত।"

ন্যায়ালয়ৰ ১২.৫.২০০১ তাৰিখৰ ওপৰোক্ত আদেশ অনুসৰি, উত্তৰদাতা নং ২ য়ে ২০০১ চনৰ ২০ অক্টোবৰৰ আদেশ নং FRE.79/98/139 ত গ্ৰহণ কৰা সিদ্ধান্তটো কিয় কাৰ্যকৰী কৰা নহ'ব সেই বিষয়ে ব্যাখ্যা কৰি লিখিত ভাৱে উত্তৰ দাখিল কৰিবলৈ নিৰ্দেশ দিছিল।আপীলকাৰীক দহ দিনৰ ভিতৰত এই উত্তৰ দাখিল কৰিবলৈ কোৱা হৈছিল। আপীলকাৰীয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিদ্বান একক ন্যায়াধীশৰ আগত লেখ আবেদন দাখিল কৰি ২০.১০.২০০১ তাৰিখৰ জাননীৰ বৈধতা আৰু শুদ্ধতাক প্ৰত্যাহ্বান জনাইছিল আৰু ইয়াক ২০০১ চনৰ ডব্লিউ. পি. (চি)৮৪০৬ হিচাপে নম্বৰ দিয়া হৈছিল। বিদ্বান একক ন্যায়াধীশজনে তেওঁৰ ১৩.৩.২০০৩ তাৰিখৰ আদেশৰ দ্বাৰা লেখ আবেদনখন নাকচ কৰিছিল। উক্ত আদেশত সন্তুষ্ট নহৈ, আবেদনকাৰীয়ে উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ আগত ২০০৩ চনৰ ডব্লিউ এ (চি) নং ১৩৩ লেখ আপীল দাখিল কৰিছিল । ৫.৫.২০০৪ তাৰিখৰ আদেশৰ দ্বাৰা খণ্ড বিচাৰপীঠে আপীলকাৰীয়ে দাখিল কৰা লেখ আবেদনখন নাকচ কৰিছিল।উক্ত ৰায়দানত অসন্তুষ্ট হৈ আপীলকাৰীয়ে এই ন্যায়ালয়ত আপীল দাখিল কৰিছিল।আমি আপীলকাৰীৰ হৈ উপস্থিত থকা বিজ্ঞ অধিবক্তা শ্ৰী ৰাণা মুখাৰ্জী আৰু উত্তৰদাতাসকলৰ হৈ উপস্থিত থকা বিজ্ঞ অধিবক্তা শ্ৰী ৰিকু শৰ্মাৰ যুক্তি সমূহ শুনিলো। শুনানিৰ সময়ত,

শ্ৰী ৰাণা মুখাৰ্জীয়ে ১৯৯৭ চনৰ ২৯ জুলাইৰ পত্ৰৰ জৰিয়তে আপীলকাৰীৰ বিৰুদ্ধে আৰম্ভ কৰা পূৰ্বৰ তদন্ত আমাৰ দৃষ্টিগোচৰ কৰে। লগতে তেওঁ এই ন্যায়ালয়ে ১৯৮৫ চনৰ ডব্লিউ.পি.(চি) নং ২০২ত ১৯৯৮ চনৰ ১৫ জানুৱাৰী আৰু ২০০১ চনৰ ১২ মে'ত জাৰি কৰা দুটা আদেশৰ দ্বাৰা জাৰী কৰা নিৰ্দেশাৱলীও দৃষ্টিগোচৰ কৰে। লেখ আবেদন, এই আপীল আবেদন, বিদ্বান একক ন্যায়াধীশ আৰু খণ্ড বিচাৰপীঠে গৃহীত কৰা আদেশৰ সৈতে দাখিল কৰা নথিসমূহো সংযোজন কৰা হয়। আপীলকাৰীৰ বিজ্ঞ অধিবক্তা ৰানা মুখাৰ্জীয়ে যুক্তি দিছিল যে এই ন্যায়ালয়ৰ ১৯৯৮ চনৰ ১৫ জানুৱাৰী আৰু ২০০১ চনৰ ১২ মে'ত জাৰি কৰা আদেশসমূহ কেৱল ভৱিষ্যতৰ গোচৰসমূহৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ'ব পূৰ্বৰ গোচৰসমূহৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় বুলি বুজোৱা হৈছিল। তেওঁ গুৰুত্ব আৰোপ কৰিছিল যে ১৯৯৮ চনৰ ১৫ জানুৱাৰীৰ আদেশৰ ভিত্তিত আপীলকাৰীৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল, গতিকে এই আদেশৰ অধীনত আপীলকাৰীৰ গোচৰটো পুনৰীক্ষণৰ বিষয় হ'ব নালাগে। তেওঁ যুক্তি প্ৰৰ্দশন কৰে যে ইতিমধ্যে আপীলকাৰীৰ সপক্ষে সমাপ্ত হোৱা বিভাগীয় তদন্ত পুনৰ মুকলি কৰাৰ কৰ্তৃত্ব বা অধিকাৰ প্ৰতিবাদকাৰীসকলৰ নাই।প্ৰতিবাদী নং ২য়ে কেতিয়াও দাবী কৰা নাই যে পৰ্যালোচনাকাৰী কৰ্তৃপক্ষই অসম সেৱা (অনুশাসন আৰু আপীল) বিনিয়ম, ১৯৮৪ৰ ২৭ নং নিয়মৰ (ইয়াৰ পিছত "নিয়ম" বুলি কোৱা হ'ব)অধীনত পৰ্যালোচনাৰ ক্ষমতা স্বতন্ত্ৰভাৱে প্ৰয়োগ কৰিছিল।কৰ্তৃপক্ষৰ যিকোনো ক্ষমতাৰ ব্যৱহাৰে ১৯৯৮ চনৰ ১৫ জানুৱাৰী আৰু ২০০১ চনৰ ১২ মে'ৰ এই ন্যায়ালয়ৰ আদেশে নিৰ্ধাৰণ কৰা পৰিসৰ আৰু চৰ্তসমূহ মানি চলিব লাগিব।এই আদেশসমূহে পূৰ্বৰ গোচৰসমূহত প্ৰভাৱ পেলাব বুলি আদালতে কেতিয়াও বুজাব বিচৰা নাছিল।সেয়েহে তেওঁ যুক্তি প্ৰৰ্দশন কৰিছিল যে এই ন্যায়ালয়ৰ নিৰ্দেশনাৰ ভিত্তিত ২০০১ চনৰ ২০ অক্টোবৰৰ দ্বিতীয়খন কাৰণ দেখুৱাৰ জাননী জাৰী কৰা বুলি খণ্ড বিচাৰপীঠ ন্যায়সঙ্গত নাছিল। বিজ্ঞ অধিবক্তাগৰাকীৰ মতে, উচ্চ ন্যায়ালয়ে বিনিয়মৰ ২৭ নং নিয়মৰ অধীনত পুনৰীক্ষণৰ ক্ষমতা আছে বুলি নিৰ্ণয় কৰাত ভুল কৰিছিল, বিশেষকৈ যিহেতু এই আদালতৰ ১৯৯৮ চনৰ ১৫ জানুৱাৰী আৰু ২০০১ চনৰ ১২ মে'ৰ আদেশৰ ভিত্তিত পুনৰীক্ষণ বিচৰা হৈছিল।

আনহাতে, উত্তৰদাতাসকলৰ বিজ্ঞ অধিবক্তা ৰিকু শৰ্মাই যুক্তি আগবঢ়ায় যে আদালতৰ আদেশ দুটাৰ মূল উদ্দেশ্য হৈছে কোনো দোষী বিষয়াই যাতে দোষৰ পৰা হাত সাৰিব নোৱাৰে।ইয়াৰ বাবে যেতিয়াই ৰাজ্য চৰকাৰে যিকোনো অনুশাসনমূলক তদন্ত বা তদন্তৰ দ্বাৰা সমস্যা চিনাক্ত কৰে, সেয়া প্ৰক্ৰিয়াগতই হওক বা বস্তুনিষ্ঠই হওক, তেতিয়াই "পৰ্যালোচনা ব্যৱস্থা" কৰিব লাগে। এই উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি আদেশ দুটাৰ ব্যাখ্যা কৰা উচিত বুলি তেওঁ পৰামৰ্শ আগবঢ়ায়। তেওঁ আৰু যুক্তি দিছিল যে, বিনিয়মৰ ২৬ আৰু ২৭ নং নিয়মৰ অধীনত ৰাজ্য চৰকাৰৰ যিকোনো আদালতৰ আদেশ বা দাখিল কৰা প্ৰতিবেদন স্বাধীনভাৱে তদন্ত বা পৰ্যালোচনা কৰাৰ কৰ্তৃত্ব আছে।বিজ্ঞ অধিবক্তা গৰাকীয়ে এইবুলিও যুক্তি প্ৰৰ্দশন কৰে যে ২০০০ চনৰ ২৫ এপ্ৰিলৰ তদন্ত প্ৰতিবেদন পুনৰীক্ষণৰ আহ্বান জনোৱা ২০০১ চনৰ ২০ অক্টোবৰৰ জাননীখন সদ্ভাৱ ৰাখি জাৰী কৰা হৈছিল আৰু ইয়াৰ বাবে আপীলকাৰীৰ কেৰিয়াৰৰ ক্ষতি হোৱা নাছিল। বিনিয়মৰ ২৬ আৰু ২৭ নং নিয়মৰ অধীনত অসম চৰকাৰক প্ৰদান কৰা পুনৰীক্ষণ ক্ষমতা অনুসৰি এই জাননী জাৰী কৰা হৈছিল।

আমি সকলো আবেদন, নথি, বিদ্বান একক ন্যায়াধীশ আৰু বিভাগীয় বিচাৰপীঠৰ ৰায়দান, আৰু অন্যান্য সকলো প্ৰাসংগিক ৰেৰ্কড পুংখানুপুংখভাৱে পৰ্যালোচনা কৰিছো। পূৰ্বে উল্লেখ কৰাৰ দৰে, আপীলকাৰীৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছিল, যাৰ ফলত তেওঁক নিলম্বন কৰা হৈছিল, তাৰ পিছত তেওঁলোকক পুনৰ নিযুক্ত কৰা হৈছিল। ইয়াৰ পিছত আপীলকাৰীক ১৯৯৭ চনৰ ২৯ জুলাইৰ এখন পত্ৰ প্ৰেৰণ কৰা হয়, য'ত তেওঁক কিছুমান অভিযোগৰ সন্দৰ্ভত কাৰণ প্ৰদৰ্শন কৰিবলৈ কোৱা হয়। আপীলকাৰীয়ে নিজৰ লিখিত বিবৃতিৰ লগতে অতিৰিক্ত লিখিত বিবৃতিও দাখিল কৰে। ইতিমধ্যে এই ন্যায়ালয়ে ১৫.১.১৯৯৮ তাৰিখে কিছুমান নিৰ্দেশনা জাৰি কৰে।অনুসন্ধানকাৰী বিষয়াজনে তদন্ত সমাপ্ত কৰাৰ পিছত সংলগ্ন অংশৰ সৈতে তেওঁৰ প্ৰতিবেদন দাখিল কৰিছিল য'ত দেখা গৈছিল যে আবেদনকাৰী অভিযোগ উত্থাপন হোৱা অপৰাধৰ বাবে দোষী নহয়। ১.১১.২০০০ তাৰিখে, আপীলকাৰীৰ বিৰুদ্ধে গ্ৰহণ কৰা তদন্ত বাতিল কৰা হৈছিল আৰু নিৰ্দেশ দিয়া হৈছিল যে আপীলকাৰীয়ে ১৬.৯.১৯৯৪ ৰ পৰা ১২.১২.১৯৯৪ লৈ নিলম্বনৰ সময়চোৱা কৰ্তব্যত থকা হিচাপে গণ্য কৰা হ'ব। প্ৰতিবাদী নং ২য়ে কেতিয়াও দাবী কৰা নাই যে পৰ্যালোচনাকাৰী কৰ্তৃপক্ষই বিনিয়মৰ ২৭ নং নিয়মৰ অধীনত পৰ্যালোচনাৰ ক্ষমতা স্বতন্ত্ৰভাৱে প্ৰয়োগ

কৰিছিল। কৰ্তৃপক্ষৰ যিকোনো ক্ষমতাৰ ব্যৱহাৰে ১৯৯৮ চনৰ ১৫ জানুৱাৰী আৰু ২০০১ চনৰ ১২ মে'ৰ এই আদালতৰ আদেশে নিৰ্ধাৰণ কৰা পৰিসৰ আৰু চৰ্তসমূহ মানি চলিব লাগিব। এই আদেশসমূহে পূৰ্বৰ গোচৰসমূহত প্ৰভাৱ পেলাব বুলি আদালতে কেতিয়াও বুজাব বিচৰা নাছিল। সেয়েহে আমি মতপোষণ কৰো যে এই ন্যায়ালয়ৰ নিৰ্দেশনাৰ ভিত্তিত ২০০১ চনৰ ২০ অক্টোবৰৰ দ্বিতীয়খন কাৰণ দেখুৱাৰ জাননী জাৰী কৰা হৈছিল।উচ্চ ন্যায়ালয়ে বিনিয়মৰ ২৭ নং নিয়মৰ অধীনত উত্তৰদাতাৰ পুনৰীক্ষণৰ ক্ষমতা আছে বুলি নিৰ্ণয় কৰাত ভুল কৰিছিল, বিশেষকৈ যিহেতু এই আদালতৰ ১৯৯৮ চনৰ ১৫ জানুৱাৰী আৰু ২০০১ চনৰ ১২ মে'ৰ আদেশৰ ভিত্তিত পুনৰীক্ষণ বিচৰা হৈছিল। আমাৰ দৃষ্টিত, উচ্চ ন্যায়ালয়ে,১৯৯৫ চনৰ ৰিট আবেদন (চি) নং ২০২ত গৃহীত কৰা ২০০১ চনৰ ১২ মে' তাৰিখৰ আদেশৰ সঠিক ব্যাখ্যা আৰু ন্যায়িকভাৱে বিবেচনা কৰাত ব্যৰ্থ হৈছিল। এই আদেশত স্পষ্টকৈ উল্লেখ কৰা হৈছিল যে এই পৰ্যালোচনা মুখ্য সচিব সকলে কেৱল ১৯৯৮ চনৰ ১৫ জানুৱাৰীৰ পিছত গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ ক্ষেত্ৰতহে কৰিব পাৰিব, যিবোৰ অতীতৰ সৈতে জড়িত আছিল। সেয়েহে আমি মতপোষণ কৰো যে বিদ্বান একক ন্যায়াধীশ আৰু খণ্ড বিচাৰপীঠৰ ন্যায়াধীশসকলে ক্ৰমে ১৯৯৮ চনৰ ১৫ জানুৱাৰী আৰু ২০০১ চনৰ ১২ মে' তাৰিখৰ আদেশৰ ২৭ আৰু ১২ নং দফাৰ সম্পূৰ্ণ ভুল ব্যাখ্যা কৰিছিল আৰু এই সিদ্ধান্তত উপনীত হৈছিল যে আপীলকাৰীৰ গোচৰটো উপৰত উল্লেখিত এই ন্যায়ালয়ৰ দুই আদেশে সামৰি লৈছিল। যদি উচ্চ ন্যায়ালয়ৰ  তথ্য অনুসৰণ কৰা হয় তেন্তে ই বিশৃংখলতাৰ সৃষ্টি কৰিব, কিয়নো ইয়াৰ অৰ্থ হ'ব যে এই ন্যায়ালয়ে পূৰ্বতে প্ৰদান কৰা আদেশৰ ভিত্তিত পূৰ্বতে সমাপ্ত হোৱা সকলো বিভাগীয় তদন্ত পুনৰ মুকলি কৰিব পৰা যাব। এই ন্যায়ালয়ৰ কেতিয়াও এই উদ্দেশ্য নাছিল। আপীলকাৰীৰ বিজ্ঞ অধিবক্তাৰ মতে, ২০০১ চনৰ ২০ অক্টোবৰ তাৰিখে আদেশ জাৰি কৰাৰ সময়ত প্ৰতিবাদীসকলে কু-অভিপ্ৰায়ৰ সৈতে কাম কৰিছিল, কিয়নো সেই সময়ত আপীলকাৰী বন সংমণ্ডল বিষয়া পদলৈ পদোন্নতিৰ সময় আছিল। ফলত, ইতিমধ্যে বন্ধ হৈ থকা বিভাগীয় তদন্তসমূহৰ পুনৰ পৰ্যালোচনা কৰা বাবে আপীলকাৰী পদোন্নতিৰ পৰা বঞ্চিত হৈছিল, যিবোৰ ১৯৯৮ চনৰ ১৫ জানুৱাৰী আৰু ২০০১ চনৰ ১২ মে'ৰ আদালতৰ আদেশৰ আঁৰ লৈ পুনৰ মুকলি কৰা হৈছিল, যি আদেশ কেৱল ভৱিষ্যতৰ গোচৰ বা কাৰ্য্যৰ ক্ষেত্ৰতহে প্ৰযোজ্য হোৱাৰ কথা আছিল, ইতিমধ্যে পূৰ্বতে সম্পূৰ্ণ হোৱা গোচৰ বা

কাৰ্য্যাৱলীৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাৰ কথা নাছিল।আমি এই যুক্তিটোৰ সু-ভিত্তি যুক্ত বুলি বিবেচনা কৰোঁ।এই ন্যায়ালয়েও ওপৰত উল্লেখ কৰা আদেশৰ দফা দুটাত আদেশ প্ৰদান কৰা পূৰ্বৰ গোচৰৰ প্ৰভাৱ পেলোৱাৰ উদ্দেশ্য নাছিল। গতিকে ইতিমধ্যে সিদ্ধান্ত লোৱা এটা বিষয় পুনৰ মুকলি কৰাৰ কাৰণ হিচাপে অতীতত লোৱা ব্যৱস্থাক ব্যৱহাৰ কৰিব নোৱাৰি। তদন্তৰ প্ৰতিবেদন গ্ৰহণ কৰি সঠিকভাৱে সমাপ্ত হোৱা কোনো তদন্ত পুনৰ মুকলি কৰিবলৈ ৰাজ্য চৰকাৰক অনুমতি দিয়া এই আদালতৰ নিৰ্দেশনাৰ উদ্দেশ্য নাছিল। য'ত ৰাজ্যিক উত্তৰদাতাসকলক ভৱিষ্যতে সাৱধান হ'বলৈ সতৰ্কবাণীহে জাৰি কৰিছিল।কাৰণ তদন্তকাৰী বিষয়াই আপীলকাৰীৰ কোনো দোষ বা ভুল দেখা নাছিল।সেয়েহে আমাৰ দৃষ্টিত চৰকাৰে তদন্ত বন্ধ কৰাৰ ১.১১.২০০০ তাৰিখৰ আদেশক কোনো কাৰণত আপীলকাৰীক এৰি দিয়া বুলি ক'ব নোৱাৰি বা তদন্তৰ কোনো শিথিলতা বা ক্ৰুটিৰ কোনো হিচাপ বুলি ক'ব নোৱাৰি। গতিকে আমাৰ দৃষ্টিত ২০০০ চনৰ ১ নৱেম্বৰত চৰকাৰে গোচৰটো বন্ধ কৰাৰ সিদ্ধান্তক তদন্ত প্ৰক্ৰিয়াৰ ভুল বা গাফিলতিৰ বাবে আপীলকাৰীক এৰি দিয়া হৈছে বুলি ধৰিব নোৱাৰি। তদুপৰি, কৰ্তব্য অৱহেলা কৰা বুলি উত্থাপিত অভিযোগ ইচ্ছাকৃত বুলি ধৰা হোৱা নাছিল। সেয়েহে গোচৰটো খাৰিজ কৰা হয়, তদন্তৰ প্ৰতিবেদনত এই সিদ্ধান্ত লোৱা হয় যে আপীলকাৰীজন দোষী নহয়। ২৬ আৰু ২৭ নং নিয়মৰ অধীনত তেওঁলোকৰ পৰ্যালোচনা ক্ষমতা ব্যৱহাৰৰ সন্দৰ্ভত যুক্তি একক ন্যায়াধীশ বা গৌহাটী উচ্চ ন্যায়ালয়ৰ সংমণ্ডল বিচাৰপীঠৰ সন্মুখত দাখিল কৰা হোৱা নাছিল।তদুপৰি এই বিষয়ত কোনো লিখিত আবেদন বা মৌখিক যুক্তি দাখিল কৰা হোৱা নাছিল। গতিকে আমি মতপোষণ কৰোঁ যে চৰকাৰে বিনিয়মৰ ২৭ নং নিয়মৰ অধীনত নিজৰ ক্ষমতা প্ৰয়োগ কৰাৰ ভিত্তিত উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে প্ৰতিবাদীসকলৰ কাৰ্য্যক সমৰ্থন কৰাটো ন্যায্য নাছিল। ১৯৯৫ চনৰ ডব্লিউ. পি. (চি) নং ২০২-ত এই ন্যায়ালয়ৰ নিৰ্দেশনাৰ প্ৰতি সঁহাৰি জনাই প্ৰস্তুত কৰা অসম চৰকাৰৰ পদক্ষেপ গ্ৰহণ প্ৰতিবেদন আমি পুনৰীক্ষণ কৰিছো।প্ৰতিবেদনৰ ২৭ নং দফাটো তলত দিয়া ধৰণৰ:-

"দফা ২৭: ৰাজ্যখনৰ ২৮টা সংমণ্ডলৰ ভিতৰত, অবৈধ কাঠ কটাৰ সন্দৰ্ভত উল্লেখযোগ্য অঞ্চলসমূহ হ'ল কামৰূপ পশ্চিম, শোণিতপুৰ পশ্চিম, ধুবুৰী, নগাঁও, আৰু নগাঁও দক্ষিণ সংমণ্ডল। এই অঞ্চলসমূহত সময়ে সময়ে বিশেষ সুৰক্ষা ব্যৱস্থা ৰূপায়ণ কৰা হয়; কিন্তু অপৰ্যাপ্ত ধন আৰু আৰক্ষী বাহিনীৰ অভাৱৰ বাবে সুৰক্ষা ব্যৱস্থা

ৰূপায়ণ যথেষ্ট সীমিত বা বাধাগ্ৰস্ত হয়। শেহতীয়াকৈ কামৰূপ পশ্চিম সংমণ্ডলত বৃহৎ সংখ্যক অবৈধ কাঠ কটাৰ খবৰ পোৱাৰ পিছতে পুংখানুপুংখ অনুসন্ধান আৰম্ভ কৰা হৈছে।৮৫১ এফ.আই.আৰ আৰক্ষীৰ ওচৰত দাখিল কৰা হৈছে। ৩৭১ খন বাহন জব্দ কৰা হৈছে, ২,৮৮৮ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে, বন কৰ্মচাৰীসকলৰ বিৰুদ্ধে ৯২ টা বিভাগীয় তদন্ত আৰম্ভ কৰা হৈছে। বিভাগ অনুসৰি বিভাগীয় তদন্ত আৰম্ভ কৰা চৰকাৰী কৰ্মচাৰীৰ সংখ্যা তলত দিয়া ধৰণৰঃ

1. শিৱসাগৰ সংমণ্ডল – ৭ জন
2. নগাওঁ সংমণ্ডল – ৯ জন
3. নগাঁও দক্ষিণ সংমণ্ডল– ৫জন
4. গোৱালপাৰা সংমণ্ডল –৯ জন
5. দৰং সংমণ্ডল –৩ জন
6. কাছৰ সংমণ্ডল– ১৮ জন
7. কামৰূপ পশ্চিম সংমণ্ডল ২২ জন
8. ধুবৰী সংমণ্ডল –১০ জন
9. কৰিমগঞ্জ সংমণ্ডল– ২ জন"।

মন কৰিবলগীয়া যে আপীলকাৰীয়ে উত্তৰ কামৰূপ সংমণ্ডলৰ সহকাৰী বন সংৰক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল, কিন্তু, উত্তৰ কামৰূপ সংমণ্ডল পদক্ষেপ গ্ৰহণ প্ৰতিবেদনৰ অন্তৰ্ভুক্ত নহয়।

Common Cause, A Registered Society vs. Union of India & Ors. , (1999) 6 SCC 667 : এই গোচৰটো সংশ্লিষ্ট মন্ত্ৰীয়ে বিবেচনাধীন কোটাৰ বাহিৰত পেট্ৰলিয়াম সামগ্ৰীৰ খুচুৰা বিপণী আবণ্টনৰ সৈতে জড়িত।এই গোচৰটো সংশ্লিষ্ট বিভাগীয় মন্ত্ৰীয়ে discretionary quota ৰ ভিত্তিত পেট্ৰলিয়ামজাত সামগ্ৰীৰ বাবে খুচুৰা বিপণী আবণ্টনৰ সৈতে জড়িত। এই ন্যায়ালয়ে পূৰ্বতে আবণ্টনসমূহ স্বেচ্ছাচাৰী, বৈষম্যমূলক আৰু অসৎ উদ্দেশ্যে প্ৰণোদিত বুলি বিবেচনা কৰিছিল আৰু সেয়েহে ইয়াক বাতিল কৰিছিল। এই ন্যায়ালয়ে মন্ত্ৰীগৰাকীয়ে ৰাজহুৱা কাৰ্যালয়ৰ অপপ্ৰয়োগ কৰা বুলিও নিৰ্ণয় কৰে। এই ন্যায়ালয়ে মন্ত্ৰীগৰাকীক কাৰণ দেখুৱাৰ জাননী জাৰী কৰে। সেয়েহে, মন্ত্ৰীগৰাকীয়ে নিজৰ সুবিধাৰ বাবে

ৰাজহুৱা সম্পত্তি অপব্যৱহাৰ কৰাৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ পঞ্জীয়ন আৰু ফৌজদাৰী গোচৰ চলাবলৈ আৰক্ষীক কিয় নিৰ্দেশনা দিব নালাগে সেই বিষয়ে সোধা-পোছাৰ বাবে জাননী জাৰি কৰা হয়।আদালতে চি.বি.আই.ক "আস্থা ভংগ" বা "অন্য যিকোনো অপৰাধ"ৰ তদন্ত কৰিবলৈও নিৰ্দেশ দিয়ে। ইয়াৰ উপৰিও, ন্যায়ালয়ে মন্ত্ৰীগৰাকীক চৰকাৰী কোষাগাৰলৈ ৫০ লাখ টকা ক্ষতিপূৰণৰ পৰিশোধ কৰিবলৈ দি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰে। এই দুয়োটা ৰায় আৰু আদেশৰ বিৰুদ্ধে পুনৰীক্ষণ আবেদন দাখিল কৰা হৈছিল। ন্যায়ালয়ে ১৫টা পেট্ৰলিয়ামজাত সামগ্ৰীৰ খুচুৰা বিপণীৰ আবণ্টন বাতিল কৰাৰ পূৰ্বৰ সিদ্ধান্তক সমৰ্থন কৰে আৰু প্ৰশাসনিক বিষয়ত ৰাজহুৱা দায়বদ্ধতা আৰু স্বচ্ছতাৰ প্ৰয়োজনীয়তাৰ কথা নিশ্চিত কৰে। লগতে মতপ্ৰকাশ কৰে যে, ৰেকৰ্ডত এটা স্পষ্ট ত্ৰুটি আছিল। যাৰ ফলত, মন্ত্ৰীগৰাকীৰ দ্বাৰা ৰাজহুৱা পদত দুৰ্নীতি নিৰ্ণয়ৰ সন্দৰ্ভত ন্যায়ালয়ৰ ভুল হৈছিল। ফলস্বৰূপে, ন্যায়ালয়ে ক্ষতিপূৰণ হিচাপে ৫০ লাখ টকা আদায় দিয়াৰ নিৰ্দেশনা আৰু মন্ত্ৰীগৰাকীৰ বিৰুদ্ধে চিবিআইৰ তদন্ত অস্থায়ী বুলি গণ্য কৰে। তিনিজনীয়া বিচাৰপীঠৰ হৈ ভাষণ দি ন্যায়াধীশ ছাঘিৰ আহমেদে ৰায়দানৰ ১৭৬ নং অনুচ্ছেদত তলত দিয়া কথাখিনি লক্ষ্য কৰিছিল:-

"১৭৬।সেয়েহে মানুহক স্বাধীন ভাবে জীৱন যাপন কৰিবলৈ দিব লাগে। কেৱল অপৰাধ কৰিছে নে আইন পালনকাৰী নাগৰিক হিচাপে জীয়াই আছে সেইটো নিৰ্ণয় কৰিবলৈ আৰক্ষী বা চি.বি.আই.য়ে তেওঁক হাৰাশাস্তি কৰা উচিত নহয়।সংবিধানৰ ১৪২ নং অনুচ্ছেদৰ অধীনতো এনে নিৰ্দেশনা জাৰি কৰিব নোৱাৰি। ১৪২ নং অনুচ্ছেদৰ অধীনত আদেশ জাৰি কৰাৰ সময়ত এই ন্যায়ালয়ে গুৰুত্বপূৰ্ণ আইনী বিধান বা ব্যক্তিৰ সাংবিধানিক অধিকাৰক অৱজ্ঞা কৰিব নোৱাৰে।

"Indian Bank vs. ABS Marine Products Pvt. Ltd. 2006(4) SCALE 423 :

উপৰুক্ত গোচৰৰ ৰায়দানৰ ২৩ নং দফাত এই ন্যায়ালয়ে (ন্যায়াধীশ ড° এ.আৰ. লক্ষ্মণন আৰু ন্যায়াধীশ আৰ.ভি. ৰবীন্দ্ৰন) তলত দিয়া ধৰণে লক্ষ্য কৰিছিল: "সামৰণিৰ আগতে কিছু কথা। প্ৰায়ে আইন ঘোষণা কৰাৰ পিছত, এই আদালতে ৰায়দানৰ কাৰ্য্যকৰী অংশত, যিয়ে কিছুমান নিৰ্দেশনা জাৰি কৰে, গোচৰৰ অনন্য তথ্য বা আইনৰ পূৰ্বৰ অনিশ্চয়তাৰ বাবে বিশেষ গোচৰটোক আইনৰ কঠোৰ প্ৰয়োগৰ পৰা ৰেহাই দিব লাগে, যাতে সম্পূৰ্ণ ন্যায় লাভ কৰিব পাৰি। এনে নিৰ্দেশনা দিয়াৰ

সময়ত, সাধাৰণতে ১৪২ নং অনুচ্ছেদৰ অধীনত নিৰ্দেশনা বা আদেশ জাৰি কৰা হৈছে বুলি নিৰ্দিষ্ট কৰা নহয়। আদালতৰ বাবে ঘোষণা কৰা আইনথন অনুসৰণ কৰাটো অস্বাভাৱিক নহয়, বৰঞ্চ অনুচ্ছেদ ১৪২ৰ অধীনত প্ৰদান কৰা ৰেহাই বা শিথিলতা অনুসৰণ কৰাটো অস্বাভাৱিক।যেতিয়া উচ্চ ন্যায়ালয়ে অনুচ্ছেদ ১৪২ৰ অধীনত জাৰি কৰা নিৰ্দেশনা ধাৰাবাহিকভাৱে অনুসৰণ কৰে, ইয়াক উচ্চতম ন্যায়ালয়ে ঘোষণা কৰা আইন হিচাপে গণ্য কৰে, তেতিয়া অনুচ্ছেদ ১৪২ৰ অধীনত প্ৰদান কৰা ৰেহাই বা শিথিলতা ভুলবশতঃ বাস্তৱিক আইন হ'ব পাৰে, যদিও সেইবোৰ উচ্চতম ন্যায়ালয়ে ঘোষণা কৰা প্ৰকৃত আইনৰ পৰা পৃথক। সেয়েহে ন্যায়ালয় সমূহে অনুচ্ছেদ ১৪২ৰ অধীনত গোচৰটোৰ অনন্য তথ্যৰ ওপৰত ভিত্তি কৰি প্ৰদান কৰা সিদ্ধান্তৰ অন্তৰ্নিহিত আইনী যুক্তি বা নীতি ( ratio decendendi ) চিনাক্ত আৰু অনুসৰণ কৰোতে সাৱধান হ'ব লাগে। এনে পৰিস্থিতি প্ৰতিৰোধ কৰাৰ এটা উপায় হ'ল উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰিব লাগিব যে নিৰ্দিষ্ট নিৰ্দেশনা বা নিৰ্দেশৰ অংশটো অনুচ্ছেদ ১৪২ৰ অধীনত ক্ষমতা প্ৰয়োগ কৰা হৈছে।যিয়েই নহওক কিয়।"

পূৰ্ববৰ্তী কাৰণবোৰৰ বাবে, আমি মতপোষণ কৰো যে এই আবেদনৰ যোগ্যতা আছে, আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ বিদ্বান ন্যায়াধীশসকলে প্ৰদান কৰা ৰায়, যি বিদ্বান একক ন্যায়াধীশৰ ৰায়দানক নিশ্চিত কৰে, আইনীভাৱে ত্ৰুটীপূৰ্ণ আৰু ১৯৯৫ চনৰ ডব্লিউ. পি. (চি) নং২০২, তাৰিখ ১৫.১.১৯৯৮আৰু ১২.৫.২০০১ তাৰিখে এই ন্যায়ালয় জাৰী কৰা নিৰ্দেশনাৰ বিপৰীত। সেয়েহে, এই আবেদনত প্ৰত্যাহ্বান জনোৱা বিদ্বান একক ন্যায়াধীশ আৰু খণ্ড বিচাৰপীঠে প্ৰদান কৰা ৰায় বাতিল কৰাত আমাৰ কোনো দ্বিধা নাই। ফলস্বৰূপে, আপীলৰ অনুমতি দিয়া হয়, আৰু উচ্চ ন্যায়ালয়ৰ ৰায় বাতিল কৰা হয়। অৱশ্যে খৰচৰ সন্দৰ্ভত কোনো আদেশ নাথাকিব। আবেদনকাৰীক উত্তৰদাতাসকলে অভিযোগ কৰা অনুসৰি আৰু উচ্চ ন্যায়ালয়ে নিৰ্ধাৰণ কৰা অনুসৰি দোষী সাব্যস্ত কৰা হোৱা নাই।

এতিয়া প্ৰদান কৰা আদেশ অনুসৰি উত্তৰদাতাসকলক উপযুক্ত সময়ৰ পৰা কাৰ্যকৰী হোৱাকৈ পদোন্নতি আৰু অন্যান্য সম্পৰ্কিত লাভালাভৰ বাবে আবেদনকাৰীৰ নাম বিবেচনা কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই আদেশ প্ৰাপ্ত হোৱাৰ তাৰিখৰ পৰা তিনি

মাহৰ ভিতৰত এই প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিব লাগিব আৰু সেই অনুসৰি আপীলকাৰীক সঠিকভাৱে জ্যেষ্ঠতাৰ তালিকাত অন্তৰ্ভুক্ত কৰিব লাগিব।

-----------------------------------------------------------------------------------------------------------

অনুবাদ-কংকনা বৰা

জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গুৱাহাটী উচ্চ ন্যায়ালয়

# DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।“